

ন্যায় বিচাৰি উপায়ুক্তৰ কাৰ্যালয়ত যোৰহাটৰ দৃষ্টিহীন শিক্ষাৰ্থী

প্ৰতিবন্ধীৰ উন্নয়নৰ পৰিৱৰ্তে চলিছে লুণ্ঠন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ১৭ ফেব্ৰুৱাৰী ঃ চৰম অনুশাসনহীনতাৰ দিশে গতি কৰিছে যোৰহাটৰ দৃষ্টিহীন বিদ্যালয়খনে। চৰকাৰ তথা প্ৰশাসনৰ দীৰ্ঘদিনীয়া অমনোযোগিতাৰ ফলত আভ্যন্তৰীণ সমস্যাই সম্প্ৰতি পৰ্বতসম ৰূপ লোৱা যোৰহাট অন্ধ বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে কালি উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ প্ৰতিবাদ জনোৱাৰ লগতে অন্ধ ছাত্ৰ-ছাত্ৰীসকলক তাতেই এৰি থৈ বিদ্যালয়ৰ অধ্যক্ষাগৰাকী মনে মনে আঁতৰি যোৱা কাৰ্যই সৰ্বত্ৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে চৰকাৰী খণ্ডৰ বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ পাঠ্যপুথিৰ লগতে নাই উপযুক্ত শিক্ষকো। বিশেষকৈ বিজ্ঞান আৰু গণিতৰ শিক্ষকৰ অভাৱ বুলি জানিবলৈ দিছে ছাত্ৰ-ছাত্ৰীসকলে। তেওঁলোকৰ মতে, সম্প্ৰতি বিজ্ঞানৰ পাঠদান কৰি আছে কলা বিভাগৰ শিক্ষয়িত্ৰীয়ে। ইফালে, আৱাসীক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে থাকিবলগীয়া পানী যোগানকে আদি কৰি অন্যান্য সুবিধাসমূহো জৰাজীৰ্ণ। এনে পৰিপ্ৰেক্ষিতত শিক্ষাৰ্থীসকলে কৰ্তৃপক্ষক বাৰম্বাৰ অনুৰোধ কৰা সত্ত্বেও সমাধান হোৱা নাই। তেওঁলোকে জানিবলৈ দিয়া মতে, বিদ্যালয়খনৰ অধ্যক্ষাৰ দায়িত্বত থকা সংগীতা বৰঠাকুৰ মাহেক ডেৰ মাহৰ মূৰতহে এবাৰ বিদ্যালয়লৈ আহে। ইয়াকে লৈ প্ৰতিবাদমুখৰ হৈ পৰা ছাত্ৰ-ছাত্ৰীসকলে কালি নগৰৰ যান-জঁট ফালি আক-তাক সুধি সুধি কোনোমতে আহি উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ ভাৰপ্ৰাপ্ত অধ্যক্ষা তথা সমাজ কল্যাণ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ জনায়। পাছত অতিৰিক্ত উপায়ুক্ত দেবাহুতি বৰাই আলোচনাৰ আশ্বাস দিয়াত উভতি যায়। সেই অনুসৰি কালি পুৱা ১০ বজাত বিদ্যালয়ত অধ্যক্ষাৰে আলোচনা হোৱাৰ কথা আছিল। কিন্তু ১১ বজালৈকে উপস্থিত নোহোৱাত ক্ষোভিত ছাত্ৰ-ছাত্ৰীসকলে পুনৰ উপায়ুক্তৰ কাৰ্যালয়ৰ দিশে গতি কৰে। তেওঁলোক উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত সেই স্থানত উপস্থিত হয়হি ভাৰপ্ৰাপ্ত অধ্যক্ষাগৰাকী। উপায়ুক্তই কাৰ্যালয়ত তেওঁলোকক অধ্যক্ষাৰে আলোচনা কৰি সমাধানৰ কথা কোৱাত তেওঁলোক কাৰ্যালয়ৰ চোতালত ৰৈ থাকে। কিন্তু বহু পৰলৈকে অধ্যক্ষাগৰাকী ওলাই নহাত খবৰ কৰি গম পায় যে তেওঁলোকক তাতে এৰি তেওঁ আঁতৰি গৈছে। পাছত কোনোমতে শিক্ষাৰ্থীসকলে বিদ্যালয়ত উপস্থিত হয়হি। মন কৰিবলগীয়া যে উজনি অসমৰ চৰকাৰী খণ্ডৰ উল্লেখনীয় বিদ্যালয়খন দীৰ্ঘদিনে বঞ্চনাৰ বলি হৈ আহিছে। প্ৰতিবন্ধীৰ নামত খোলা বিদ্যালয়খন সম্প্ৰতি শাৰীৰিকভাৱে সক্ষমসকলৰ উপাৰ্জনৰ আহিলা হৈ পৰিছে বুলি সচেতনসকলে সমালোচনা কৰাৰ লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষাগৰাকীৰ এনে দায়িত্বহীন মনোভাবক সৰ্বত্ৰে ধিক্কাৰ দিছে।

মূল্যবৃদ্ধিৰ প্ৰতিবাদত লখিমপুৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতিকৃতি দাহ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ, শনিবাৰে।

মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

মৰিগাঁৱত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ মৰিগাঁৱৰ হীৰক জয়ন্তী বৰ্ষ অতিক্ৰম কৰা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত স্থায়ী অধ্যক্ষ নিযুক্তি আৰু স্থায়ী জিলা প্ৰাথমিক শিক্ষা বিষয়া নিযুক্তিৰ দাবীত ন ফেব্ৰুৱাৰীত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিয়ে মৰিগাঁৱত তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। পাছত এই সন্দৰ্ভত জিলা উপায়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। মৰিগাঁও সদৰ বহুতলী প্ৰাংগণত অনুষ্ঠিত অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ নেতৃত্ব দিয়ে যুৱ ছাত্ৰ পৰিষদৰ জিলা সভাপতি ললিত চন্দ্ৰ পাচনি আৰু সাধাৰণ সম্পাদক নয়নজ্যোতি বৰাই। কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰত উল্লেখ কৰে যে মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অধ্যক্ষ গহীন চন্দ্ৰ নাথে বিগত মে' মাহতে অৱসৰ গ্ৰহণ কৰাৰ পাছত সুদীৰ্ঘ ন মাহে স্থায়ী অধ্যক্ষবিহীনভাৱে পৰিচালিত হৈছে ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখন। ইয়াৰ ফলত শিক্ষানুষ্ঠানখনত শৈক্ষিক পৰিৱেশ আৰু প্ৰশাসন ব্যৱস্থা চূড়ান্তভাৱে বিনষ্ট হৈছে। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত মৰিগাঁও জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° তিলক চন্দ্ৰ শইকীয়া আছে যদিও এই বিষয়াজন জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ দায়িত্বতো থকাৰ উপৰি জিলাখনৰ বহুকেইটা শিক্ষানুষ্ঠানৰ মুৰব্বীৰ দায়িত্বত আছে। ইয়াৰ ফলত বিষয়াগৰাকী বিদ্যালয়খন আশানুৰূপভাৱে পৰিচালনা কৰাত ব্যৰ্থ হৈছে। আনহাতে, মৰিগাঁৱৰ জিলা উপায়ুক্তৰ নিৰ্দেশনা মৰ্মে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থকা বিদ্যালয়সমূহৰ পৰিদৰ্শকজনে বিগত ২২ নৱেম্বৰত বিদ্যালয়খনৰ অধ্যক্ষ পদৰ সাক্ষাৎকাৰ অনুষ্ঠিত কৰে যদিও এই সাক্ষাৎকাৰত নিজে উপস্থিত নাথাকি অন্য এজন প্ৰধান শিক্ষকক পৰ্যবেক্ষক হিচাপে পঠিয়াই সাক্ষাৎকাৰ অনুষ্ঠিত কৰে। তাৎপৰ্যপূৰ্ণ কথা যে উক্ত সাক্ষাৎকাৰৰ ফলাফল আজি পৰ্যন্ত উৰ্ধ্বতম কৰ্তৃপক্ষলৈ পঠিওৱা হোৱা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়খনত স্থায়ী অধ্যক্ষ নিযুক্তি প্ৰক্ৰিয়াত জঠৰতাৰ সৃষ্টি হৈছে। আনহাতে, বিদ্যালয়খনত বৰ্তমানে সাতগৰাকী বিষয় শিক্ষকৰ পদ খালী হৈ আছে। এই পদ কেইটা শীঘ্ৰে পূৰণ কৰাৰ ব্যৱস্থা নকৰিলে উচ্চতৰ মাধ্যমিক শাখাত পূৰ্বৰ তুলনাত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ সংখ্যা নিশ্চিতভাৱে কমিব আৰু পাঠদানত সমস্যাৰ সৃষ্টি হ'ব। সেয়েহে বিদ্যালয়খনত উদ্ভৱ হোৱা অচলাৱস্থা দূৰ কৰি সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াৰ ব্যৱস্থা কৰিবলৈ স্মাৰক পত্ৰখনত দাবী জনোৱা হয়। ইপিনে, ২০১৬ ত উৎকোচ লোৱাৰ অভিযোগত নিলম্বিত হোৱাৰ পাছৰে পৰা জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ পদটো আজিকোপতি খালী হৈ আছে। সেয়েহে বিভাগটোত শীঘ্ৰে এজন স্থায়ী আৰু দক্ষ বিষয়া নিয়োগ কৰিবলৈ স্মাৰকপত্ৰখনৰ জৰিয়তে মুখ্যমন্ত্ৰীক দাবী জনোৱা হয়।

পৰিৱেশ সংৰক্ষণৰ সভা

অগ্ৰদূত বাৰ্তা

গোসাঁইগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত আৰু গোসাঁইগাঁও মহাবিদ্যালয় শিক্ষা সম্প্ৰসাৰণ কোষৰ উদ্যোগত যোৱা ১০ ফেব্ৰুৱাৰীত বালাগাঁও হাইস্কুলত 'পৰিৱেশ সংৰক্ষণ'ৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। মহকুমাটোৰ অন্তৰ্গত বালাগাঁও হাইস্কুলৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ সামৰণি অনুষ্ঠান তথা বঁটা বিতৰণী সভাৰ স'তে সংগতি ৰাখি আয়োজিত শিক্ষা সম্প্ৰসাৰণ সজাগতা সভা পৰিচালনা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰ বসুমাতাৰীয়ে। গোসাঁইগাঁও মহাবিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক তথা মহাবিদ্যালয় শিক্ষা সম্প্ৰসাৰণ কোষৰ সমন্বয়ক ধনঞ্জয় ব্ৰহ্মই প্ৰদূষণ মুক্ত জলবায়ু, প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা, ৰাইজৰ সচেতনতা বৃদ্ধিৰ লক্ষ্য আৰু গুৰুত্ব আদিৰ ওপৰত বিস্তৃতভাৱে উল্লেখ কৰে। মহাবিদ্যালয় জীৱ বিজ্ঞান বিভাগৰ অধ্যাপক ড° নিৰঞ্জন কুমাৰ ব্ৰহ্মই প্ৰদূষণ মুক্ত জলবায়ু, নিম্নগামী জয়স্তৰে জীৱকুলৰ বাবে কঢ়িয়াই অনা কুপ্ৰভাৱ আৰু অতি খৰাং বতৰে সৃষ্টি কৰা ভূমি প্ৰদূষণৰ ওপৰত তথ্য সমৃদ্ধ উপস্থাপনৰ লগতে ইয়াৰ প্ৰতিকাৰ আৰু বৃক্ষৰোপণ কৰি পৰিৱেশ সুৰক্ষিত কৰি ৰখাৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলক বিশেষ পদক্ষেপ গ্ৰহণৰ আহ্বান জনায়। প্ৰবক্তা ৰাজীৱ দত্তই বিশ্বব্যাপী চলি থকা পৰিৱেশ সংৰক্ষণৰ বিভিন্ন দিশ উনুকিয়াই বতৰৰ অস্বাভাৱিক পৰিৱৰ্তন আদিৰ ওপৰত বিস্তৃতভাৱে উপস্থাপন কৰে। একেদৰে ভুগোল বিভাগৰ সহকাৰী আধ্যাপক কেশৱ চন্দ্ৰ বসুমতাৰীয়ে মাদক দ্ৰব্যৰ অবাধ প্ৰচলন, ড্ৰাগছ, দৰিদ্ৰতা আদিয়ে বিঘ্নিত কৰা সামাজিক পৰিৱেশ সুস্থ ৰাখিবলৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-অভিভাৱক সকলোকে যত্নপৰ হ'বলৈ আহ্বান জনায়।

লাওচৰ প্ৰতিষ্ঠিত ব্যৱসায়ীক শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

হোজাই, ১৭ ফেব্ৰুৱাৰী ঃ প্ৰবল ইচ্ছাশক্তি আৰু অধ্যাৱসায়ৰ জৰিয়তে যে অসাধ্য সাধন কৰিব পাৰি তাৰ অন্যতম উদাহৰণ হ'ল হাবিব মোহম্মদ চৌধুৰী। সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এজন সফল ব্যৱসায়ী হিচাপে সুখ্যাতি লাভ কৰা হোজাই জিলাৰ এইজন অসম সন্তান চৌধুৰীক ১১ ফেব্ৰুৱাৰীত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই সম্বৰ্ধনা জনায়। নকৈ আৰম্ভ কৰা 'এই মাহৰ মুখ্য অতিথি' নামৰ অনুষ্ঠানত আমন্ত্ৰণ জনাই তেওঁক উষ্ম সম্বৰ্ধনা জনোৱা হয়। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ কৰ্মকৰ্তাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগত এক অন্তৰংগ বাৰ্তালাপতো মিলিত হয় সফল ব্যৱসায়ীজনে। হোজাই জিলাৰ এখন সৰু গাঁৱত জন্মগ্ৰহণ কৰা চৌধুৰীয়ে মেট্ৰিকৰ দেওনা পাৰ হৈয়ে ব্যৱসায়ীৰ বাবে ঢাপলি মেলিছিল ডুবাইলৈ। অত্যন্ত সাধাৰণ অৱস্থা আছিল সেই সময়ত হাবিবৰঃ কিন্তু নিজাৰ বিচক্ষণতা আৰু কঠোৰ পৰিশ্ৰমৰ বলত বিগত কুৰি বছৰৰ ভিতৰতে এইজন যুৱকে আজি লাওচ ডেমক্ৰেটিক পিপলছ ৰিপাব্লিকৰ টাটা হিচাপে পৰিগণিত হোৱাই নহয়, দক্ষিণ পূৱ এছিয়াৰ ব্যৱসায়ী ক্ষেত্ৰখনৰ মধ্যমণি হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াভাৱে এইজন অসমীয়া যুৱকে যুৱকে দক্ষিণ পূৱ এছিয়াৰ সাতখনকৈ ৰাষ্ট্ৰৰ প্ৰতিনিধিত্বৰে এডভাণ্টেজ অসমৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম তথা ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিছে। লাওচত এইছ এছ এম এন গ্ৰুপ অৱ কোম্পানীজ প্ৰতিষ্ঠা কৰি ব্যৱসায় আৰম্ভ কৰা হাবিবে আচিয়ান-ইণ্ডিয়ান বিজনেছ কাউঞ্চিলৰ চেয়াৰমেনৰ আসন শুৱনি কৰাৰ উপৰি আচিয়ান মেণ্টৰছিপ ফৰ এণ্টাৰপ্ৰেণিউৰচ নেটৱৰ্কছ চমুকৈ আমিনৰ এজন (মেণ্টৰ) পৰামৰ্শদাতা হিচাপেও কাৰ্যনিৰ্বাহক কৰি আছে। সম্প্ৰতি হাবিবে নিজৰ বিশাল ব্যৱসায় সুচাৰুৰূপে পৰিচালনা কৰাৰ উপৰি উত্তৰ-পূৱ ভাৰতৰ লগতে দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ সাংস্কৃতিক বিনিময়ৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই আগবঢ়োৱা সম্বৰ্ধনা গ্ৰহণ কৰি সন্তুষ্টি প্ৰকাশ কৰা চৌধুৰীয়ে অনাগত দিনত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কাম কৰি যোৱাৰ প্ৰয়াস কৰিব বুলি প্ৰকাশ কৰে। অনুষ্ঠানৰ আঁত ধৰে শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক গজেন হাজৰিকাই।

ৰঙাপাৰত ৰক্তদান শিবিৰ অনুষ্ঠিত

বিশেষ সংবাদদাতা

ৰঙাপাৰা, ১৭ ফেব্ৰুৱাৰী ঃ যোৱা ১৩ ফেব্ৰুৱাৰীত মাৰোৱাৰী যুৱ মঞ্চৰ গ্ৰেটাৰ ৰঙাপৰা লাখাইত এক ৰক্ত দান শিবিৰ অনুষ্ঠিত কৰে। ৰঙাপৰা ঠাকুৰবাৰী পথত থকা আগৰৱালা সমিতিৰ ভৱনত পুৱা ১১ বজাৰ পৰা দুই বজালৈকে অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰত মুঠ ৩৭ গৰাকী ব্যক্তিয়ে ৰক্তদান কৰে। তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক আকাশ ভূএগৰ নেতৃত্বত অহা ১০ জনীয়া চিকিৎসকৰ দলটোৱে সংগ্ৰহ কৰা ৩৭ ইউনিট তেজ উদ্যোক্তাসকলে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত থকা ৰক্ত ভৰালত জমা কৰাৰ ব্যৱস্থা লোৱা হৈছে।

ব্ৰহ্মকুমাৰী আধ্যাত্মিক জন্মজয়ন্তী

অগ্ৰদূত বাৰ্তা

নাহৰকটীয়া, ১৭ ফেব্ৰুৱাৰী ঃ আধ্যাত্মিক শিক্ষা আৰু ৰাজযোগ অনুষ্ঠান ব্ৰহ্মকুমাৰী ৮২সংখ্যক জন্মজয়ন্তী ১২ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে নাহৰকটীয়া শাখাৰ উদ্যোগত পালন কৰা হয়। ১২ ফেব্ৰুৱাৰীৰ সন্ধিয়া ইয়াৰ লেংগেৰীজান চাহ বাগিচাৰ শিৱ মন্দিৰৰ কাষত আয়োজিত এক অনুষ্ঠানত ব্ৰহ্মকুমাৰী আধ্যাত্মিকতাৰ জন্মৰ বৃতান্ত দাঙি ধৰে ডিব্ৰুগড় চক্ৰৰ সঞ্চালক বি কে বিধানে। উপস্থিত থকা ডিব্ৰুগড় চক্ৰৰ সঞ্চালিকা বি কে বিনিতাই শিৱ ৰাত্ৰিৰ তাৎপৰ্য আৰু ব্ৰহ্মকুমাৰী আধ্যাত্মিকতা প্ৰয়োজনীয়তাৰ আৰু উপকাৰিতাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা সংবাদকৰ্মী বুলন শইকীয়াকে ধৰি আন কে'বাজনো ব্যক্তিয়ে বক্তব্য দাঙি ধৰে।

মঙলদৈৰ বিদ্যালয়ত বাৰ্ষিক ক্ৰীড়া সমাৰোহ

বিশেষ সংবাদদাতা

মঙলদৈ, ১৭ ফেব্ৰুৱাৰী ঃ দৰঙৰ ধূসৰ ভূমি চৰাঞ্চলৰ বাঘপৰিৰ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয় আৰু আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ যৌথ উদ্যোগত ১২ ফেব্ৰুৱাৰীত ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্ষিক খেল সমাৰোহৰ বঁটা বিতৰণী সভাৰ লগত সংগতি ৰাখি এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত সভালৈ ছাত্ৰ-ছাত্ৰী অভিভাৱক আৰু অঞ্চলৰ গুণী-জ্ঞানী ব্যক্তিক আমন্ত্ৰণ কৰা হয়। শিলচৰ বিশ্ববিদ্যালয়ৰ পৰা আৰবী বিষয়ত ডক্টৰেট উপাধি লাভ কৰা চৰাঞ্চলৰ নবাব আলী আৰু মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জামাল উদ্দিন আহমেদক আদৰ্শ মধ্য ইংৰাজী, আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু বাঘপৰি শাখা সাহিত্য সভাই কলম, গামোচা, শৰাই, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে উষ্ম অভিনন্দন জনায়। সভা সঞ্চালনা কৰে অঞ্চলৰ বয়োজ্যেষ্ঠ সমাজ সেৱক আলহাজ জমচেৰ আলীয়ে। দুয়োখন বিদ্যালয়ৰ প্ৰধান শিক্ষক ক্ৰমে নবীৰ আলী আৰু ৰহমত আলীয়ে প্ৰাথমিক শিক্ষাৰ ওপৰত বক্তব্য ৰাখি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সচেতন কৰে। অধিবক্তা খলিলুৰ ৰহমান, চোলেমান আলী আৰু ছাইদুৰ ৰহমান আৰু ড° নবাব আলীয়ে জীৱন আলোকপাত কৰি কয় যে ইচ্ছা থাকিলে আৰ্থিক সমস্যা আৰু ঘাত-প্ৰতিঘাতে উদ্দেশ্য সফলত একো বাধা হ'ব নোৱাৰে।

আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

আগমনী, ১৭ ফেব্ৰুৱাৰী ঃ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অধীনৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ ৰূপসী ব্লকৰ উদ্যোগত ১০ ফেব্ৰুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে বেৰভাঙী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। বিজ্ঞানক অধিক জনপ্ৰিয় কৰাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান ভিত্তিক আৰ্হি, আকস্মিক বক্তৃতা আৰু পোষ্টাৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা কেদাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ আব্দুল ৰহিম সৰকাৰ, নালিয়া জাতীয় বিদ্যালয়ৰ প্ৰীতিলতা ৰায়, সাহেবগঞ্জ হাইস্কুলৰ মকবুল হুছেইন আৰু জাহিদুল হক প্ৰধানী ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে। পোষ্টাৰ প্ৰতিযোগিতাত বেৰভাঙী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বেগম নাছৰিন, মফিদা খাতুন প্ৰথম আৰু দ্বিতীয়, নালিয়া মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰিয়ংকা ৰায়ে তৃতীয় স্থান দখল কৰে। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত বেৰভাঙী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চাহিমা বেগম প্ৰথম, নালিয়া জাতীয় বিদ্যালয়ৰ আফতাব আলী সৰকাৰ দ্বিতীয় আৰু সাহেবগঞ্জ হাইস্কুলৰ জাহিদুৰ হকে তৃতীয় স্থান দখল কৰে। বিদ্যালয়ৰ অধ্যক্ষ বিমল ৰায়ৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত পুৰস্কাৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, মোমেণ্টো প্ৰদান কৰা হয়।

মঙলদৈত গ্ৰন্থমেলাত পচন্দৰ কিতাপ বিচৰাত ব্যস্ত যুৱতী, শনিবাৰে।

যুৱ মঞ্চৰ বসন্ত উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ তামুলপুৰ যুৱ মঞ্চৰ উদ্যোগত অহা ২৫ এপ্ৰিলত দিনজোৱা কাৰ্যসূচীৰে বসন্ত উৎসৱ উদ্‌যাপন কৰা হ'ব। সেই উদ্দেশ্যে যোৱা ১১ ফেব্ৰুৱাৰীত স্থানীয় সমাজকৰ্মী জ্যোতিষ দাসৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত ডাঃ গৌতম মেধি, সমাজকৰ্মী ৰবেন ৰাভা, কৰুণা পাটোৱাৰী, চক্ৰ চালুকদাৰ, চক্ৰেশ্বৰ ডেকা, গৌতম কাকতি, অনুপ নাথ, যুৱ মঞ্চৰ দ্বিজেন দাস, ৰুবুল ডেকা আদিয়ে সভাত বক্তব্য প্ৰদান কৰে। সভাৰ শেষত ডাঃ গৌতম মেধিক সভাপতি, চক্ৰেশ্বৰ ডেকাক কাৰ্যকৰী সভাপতি, চমেন ৰাভা আৰু বাবন মেধিক যুটীয়া সম্পাদকৰূপে লৈ বসন্ত উৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হয়।

মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ নতুন সমিতি

অগ্ৰদূত বাৰ্তা

মৰিগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থাৰ মৰিগাঁও জিলা সমিতিৰ গাফিলতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় সমিতিয়ে লোৱা কঠোৰ পদক্ষেপৰ ভিত্তিতে চৰাইবাহীত অনুষ্ঠিত জিলাৰ অধিবেশন যোৱা ১৩ ফেব্ৰুৱাৰীৰ নিশা সামৰণি পৰে। চৰাইবাহী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত অধিবেশনৰ নিশাৰ বিষয় বাছনি সভাত জিলা সমিতিৰ সভাপতি পদত হিমাংশু মহন্ত আৰু সাধাৰণ সম্পাদকৰ পদত দিপুল কুমাৰ নাথ সৰ্বসন্মতিভাৱে নিৰ্বাচিত হয়। উল্লেখ্য যে অধিবেশনৰ কাৰ্যসূচীত আছুৰ তিনি মহাৰথী ক্ৰমে মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি দীপাংক কুমাৰ নাথ আৰু সম্পাদক লুৰিণজ্যোতি গগৈকে প্ৰমুখ্যে কৰি নেতাসকল উপস্থিত থাকে। মুকলি সভা নিশা প্ৰায় আঠ বজাত সামৰণি পৰে আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় শিল্পী নীল আকাশ আৰু আচুৰ্য বৰপাত্ৰ গোহাঁয়ে গীত পৰিবেশন কৰে। আনফালে, চৰাইবাহী মহাবিদ্যালয়ত অন্তিম কাৰ্যসূচী বিষয় বাছনি সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষক চিত্ৰৰঞ্জন বসুমতাৰী আৰু প্ৰভাশ দাস উপস্থিত থকা সভাত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখন গঠন হয়। সভাত সৰ্বসন্মতিক্ৰমে হিমাংশু মহন্তক সভাপতি আৰু দিপুল কুমাৰ নাথক সাধাৰণ সম্পাদক হিচাপে লৈ জিলা ছাত্ৰ সন্থাৰ ৫১ জনীয়া সমিতিখন গঠন কৰে। সভাই কেন্দ্ৰীয় সমিতিৰ সদস্যৰ বাবে উৎপল শৰ্মাক নিৰ্বাচন কৰে।

সদৌ অসম মুকলি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

দেৰগাঁও, ১৭ ফেব্ৰুৱাৰী ঃ আগশাৰীৰ প্ৰকৃতি সংগঠন 'আশ্ৰয়'ৰ উদ্যোগত গণিত আৰু বিজ্ঞান জনপ্ৰিয়কৰণৰ সংগঠন 'ৰিলেছন'ৰ সহযোগত পৰিৱেশ সজাগতাৰ লক্ষ্যৰে অহা ২৮ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰত সদৌ অসম ভিত্তিত এখন মুকলি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিশিষ্ট লেখক তথা ৰাজহুৱাকৰ্মী দেৱেন দত্তৰ অধ্যক্ষতাত অনুষ্ঠিতব্য তৰ্কৰ বিষয় 'উন্নয়নৰ প্ৰতি মানৱ জাতিৰ অনিয়ন্ত্ৰিত হাবিয়াসেই মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ মূল কাৰণ।' অসমীয়া অথবা ইংৰাজী যিকোনো এটা ভাষাতে যুক্তি প্ৰদৰ্শনৰ সুবিধা থকা তৰ্ক প্ৰতিযোগিতাত ১৪ বছৰ বা উৰ্ধ্বৰ ছাত্ৰ-ছাত্ৰী তথা সকলো লোকৰ বাবে মুকলি থাকিব। প্ৰথম তিনি শ্ৰেষ্ঠ তাৰ্কিকক ক্ৰমে ১০ হেজাৰ, পাঁচ হেজাৰ আৰু তিনি হেজাৰ টকাৰ নগদ ধনৰ বঁটা আৰু দলীয়ভাৱেও তিনিটা দলক প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানৰ বঁটাৰে পুৰস্কৃত কৰা হয়। ইচ্ছুক প্ৰতিযোগীসকলে অহা ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত দলীয়ভাৱে (এজন সপক্ষে আনজন বিপক্ষে) যোগদানৰ বাবে ৯৪৩৫২০৪০৪০ নম্বৰলৈ এছ এম এছ আৰু atskhdrn@gmail.com ই-মেইল কৰিও নাম পঞ্জীয়ন কৰিব পাৰিব।

দুগৰাকী কবিক 'গজালি' কাব্য বঁটাৰে সন্মানিত

পাগলাদিয়াৰ বালিচাপৰিত কবিতাৰ এদিন সম্পন্ন

অগ্ৰদূত বাৰ্তা

বৰভাগ, ১৭ ফেব্ৰুৱাৰী ঃ ব্যাতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰি অহা 'গজালি' নামৰ আলোচনীখনে যোৱা চাৰি ফেব্ৰুৱাৰীত বৰভাগস্থিত সোণকুৰিহাৰ পাগলদিয়াৰ বালিচাপৰিত দুজনকৈ বিশিষ্ট কবিক বঁটাৰে সন্মানিত কৰে। সাংবাদিক শংকৰ শৰ্মাৰ তত্ত্বাৱধানত প্ৰকাশ পাই অহা গজালিৰ কাৰ্যবাহী সম্পাদক কমল কলিতাই আঁত ধৰা আৰু কবি জীতেন্দ্ৰ কুমাৰ জৈনৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত কবি কমল কুমাৰ জৈনক ২০১৭ৰ ধনেশ্বৰী দেৱী সোঁৱৰণী গজালি কাব্য বঁটা প্ৰদান কৰাৰ লগতে উদীয়মান কবি নিউটন কোঁৱৰ বসুমতাৰীক গজালি বঁটাৰে সন্মানিত কৰা হয়। সাংবাদিক তথা কবি শংকৰ শৰ্মাই পৰিচালনা কৰা অনুষ্ঠানটোত বিশিষ্ট কবি তথা নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মন, বিশিষ্ট কবি দেৱপ্ৰসাদ তালুকদাৰ, ওৱাহিদুজ জামান, পংকজ গোবিন্দ মেধি, প্ৰণৱ কুমাৰ বৰ্মন, শান্তনু শৰ্মা, বিনয় কুমাৰ মজুমদাৰ, বিপুল কুমাৰ দত্ত, নৱজ্যোতি পাঠক, পুলক বৰ্মন, সমৰ তালুকদাৰ, কবি তথা অভিনেতা, নাট পৰিচালক নজৰুল ইছলামকে ধৰি শতাধিক নবীন-প্ৰবীণ কবিয়ে কবিতা পাঠ কৰে।

উত্তৰ নদুৱাৰৰ টৌভঙাত পূৱ জীয়াভৰলী আলি-আয়ে-লৃগাং উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ১৭ ফেব্ৰুৱাৰী ঃ শোণিতপুৰ জিলাৰ উত্তৰ নদুৱাৰ অঞ্চলৰ টৌভঙা মৃৰং অকুম লত্তা প্ৰাংগণত যোৱা ১৪ ফেব্ৰুৱাৰীত পূব জীয়াভৰলী টি. এম. পি. কেৰ উদ্যোগত তৃতীয় বাৰ্ষিক কেন্দ্ৰীয় ভিত্তিক আলি-আয়ে লৃগাং উদ্‌যাপনৰ প্ৰথম কাৰ্যসূচী অনুষ্ঠিত হয়। মিচিং জনগোষ্ঠীৰ লোকসকলে পুৱাৰে পৰাই নিজৰ বাপতি সাহোন আলি-আয়ে লৃগাং উৎসৱ উদযাপন কৰি আনন্দ উল্লাসত মতলীয়া হৈ পৰে। বৃহত্তৰ অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ লগতে বৰ্ষীয়ান পুৰুষ-মহিলা সকলো একত্ৰিত হৈ ঢোলে-দগৰে বিহু নৃত্যত মগ্ন হৈ পৰে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ ভিতৰত উৎসৱৰ দিনটোত প্ৰথম কাৰ্যসূচীৰ পুৱা উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰে গাঁও উন্নয়ন সমিতিৰ উপ-সভাপতি গংগাধৰ ভাদেই। টি. এম. পি. কেৰ পতাকা উত্তোলন কৰে উপ-সভাপতি পৱন মিলিয়ে। ইয়াৰ পাছতে বিভিন্ন গীত-নৃত্যৰে আনন্দ-উল্লাসৰ মাজেৰেই মিচিং জনগোষ্ঠীটোৰ ৰাইজে আলিআয়ে লৃগাং উৎসৱ উদযাপন কৰি বাকী দুদিনীয়া কাৰ্যসূচী ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখিয়ে অহা ১০ আৰু ১১ মাৰ্চত ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কাৰ্যসূচী অনুসৰি ১১ মাৰ্চত অনুষ্ঠিত হ'ব ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসলৰ মাজত বিভিন্ন খেল ধেমালি, গীত, নৃত্য, কুইজ, চিত্ৰাংকন আদিৰ প্ৰতিযোগিতাসমূহ ১১ মাৰ্চৰ পুৱা অনুষ্ঠিত হ'ব সাংস্কৃতিক শোভাযাত্ৰা আৰু বিয়লি মুল সভা আৰু বঁটা বিতৰণী অনুষ্ঠানৰ পাছতে অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়া।

বৰছলাত বিজেপিলৈ তিনি সহস্ৰাধিক সংখ্যালঘু ৰাইজ

বিজেপিৰ সৰ্বধৰ্ম নীতিৰ দ্বাৰাহে উন্নয়ন সম্ভৱ

বিজেপিয়ে সাম্প্ৰদায়িকতাৰ ৰাজনীতি কৰা নাই মন্তব্য বিধায়ক লিম্বুৰ

অগ্ৰদূত বাৰ্তা

ঠেলামৰা, ১৭ ফেব্ৰুৱাৰী ঃ শোণিতপুৰ জিলাৰ বৰছলা বিধানসভা সমষ্টিৰ নতুন পাম গাঁও পঞ্চায়ত অঞ্চলৰ ভেৰগাঁৱত কালি বিজেপিৰ শোণিতপুৰ জিলা সংখ্যালঘু মৰ্চাৰ সহযোগত আৰু বৰছলা ব্লক মণ্ডল বিজেপিৰ উদ্যোগত আয়োজিত এক যোগদান সভাত তিনি সহস্ৰাধিক সংখ্যালঘু ৰাইজে সাংসদ আৰ পি শৰ্মা, বিধায়ক গণেশ লিম্বুৰ উপস্থিতিত বিজেপিত যোগদান কৰে। বৰছলা মণ্ডল বিজেপিৰ সভাপতি হেমন্ত ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন, শোণিতপুৰ জিলা সমিতিৰ প্ৰাক্তন উপ-সভাপতি আব্দুৰ ৰহমান, নতুনপাম গাঁও পঞ্চায়তৰ কংগ্ৰেছৰ আঞ্চলিক সদস্য নুৰুল দেৱান সমন্বিতে কংগ্ৰেছ, এ আই ইউ ডি এফ, অগপৰ লগতে সংখ্যালঘু সংগঠনৰ বহুকেইজন নেতা-কৰ্মী বিজেপিত যোগদান কৰে। বিশেষকৈ প্ৰায় তিনি সহস্ৰাধিক সংখ্যালঘু মুছলমান লোকে বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ কালি দলটোত যোগদান কৰে বুলি প্ৰকাশ। বৰছলাৰ ভেৰগাঁৱত দিনৰ এক বজাত বৰছলা ব্লক মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক জীৱন পাঠকে আঁত ধৰা সভাত তেজপুৰৰ সাংসদ শৰ্মাই নেতা-কৰ্মীসকলক দলীয় গামোচাৰে আদৰণি জনায়। ভাষণ প্ৰসংগত সাংসদ শৰ্মাই কয়, 'বিজেপিৰ সংবিধানত পাঁচটা নীতিৰ এটা হৈছে সৰ্বধৰ্ম। সকলো ধৰ্ম আৰু জাতি-গোষ্ঠীৰ উন্নয়ন বিজেপিয়ে বিচাৰে। সংখ্যালঘু মুছলমানসকলৰ উন্নয়ন কেৱল বিজেপি দলৰ দ্বাৰাই সম্ভৱ হ'ব। কংগ্ৰেছে ভুৱা প্ৰচাৰ কৰি ধৰ্মীয় সংখ্যালঘু মুছলমান লোকসকলক বিভক্ত কৰি ৰাখিছে।' সংখ্যালঘু লোকসকল সজাগ-সচেতন আৰু শিক্ষাৰ দিশত অগ্ৰসৰ হ'ব লাগে বুলি নিজৰ ভাষণত সাংসদ শৰ্মাই উল্লেখ কৰি সংখ্যালঘু মুছলমানসকলক পৰিশ্ৰমী জাতি বুলি অভিহিত কৰে। কৃষকক উৎপাদন বৃদ্ধি কৰাৰ উপৰি চৰকাৰে বিভিন্ন ধৰণে উন্নয়নমূলক আঁচনি গ্ৰহণ কৰিছে য'ত সংখ্যালঘু মুছলমানসকলে উপকৃত হ'ব পাৰিব লগতে বিজেপিক শক্তিশালী কৰিবলৈ সংখ্যালঘু লোকসকলৰো সহযোগ লাগিব বুলি উল্লেখ কৰি বৰছলাৰ নতুনপাম পঞ্চায়তৰ প্ৰায় তিনি সহস্ৰাধিক সংখ্যালঘু লোকে বিজেপিত যোগদান কৰা বিষয়টোক পৰিৱৰ্তন আৰু উন্নয়নৰ ফল বুলি কয়। সভাত বৰছলাৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে বিজেপি চৰকাৰ সৰ্বধৰ্ম সদ ভাব নীতি আৰু উন্নয়নৰ বাবেই আজি সংখ্যালঘু লোকসকলে সাম্প্ৰদায়িকতাৰ কথাত ভোল নগৈ দলে-বলে বিজেপিত যোগাদান কৰিছে বুলি দাবী কৰে।

কংগ্ৰেছে ধৰ্মীয় সংখ্যালঘু লোকসকলক দীৰ্ঘদিনৰ পৰাই বিভিন্ন ধৰণে শোষণ-বঞ্চনা কৰি আহিছিল। কিন্তু বিজেপিৰ শাসনত ধৰ্মীয় সংখ্যালঘু মুছলমানসকলৰ উন্নয়ন আৰু বিকাশৰ যাত্ৰা আৰম্ভ হয় বুলি কয় বিধায়ক লিম্বুৱে। উল্লেখ্য যে বিজেপি চাহ মৰ্চাৰ ৰাজ্যিক সদস্য দেৱ দত্ত তাঁতী, জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি মতিবুৰ ৰহমান, সম্পাদক অহিজুল হক, সদস্য হানিফ আলী, বৰছলা ব্লক সংখ্যালঘু মৰ্চাৰ সভাপতি ছফিকুল আলম, বৰছলা ব্লক যুৱ মৰ্চাৰ সভাপতি নিৰ্মল দাস, মহিলা মৰ্চাৰ সভানেত্ৰী ইলিমা দাস আদি উপস্থিত থকা সভাত পাঁচ সহস্ৰাধিক লোক উপস্থিত থাকে।